দৈনিক জনমভূমি

গুৱাহাটী সোমবাৰ ২ জুন, ২০০৮

সীমা বিবাদ

সীমা বিবাদ এটা পৰিচিত পৰিঘটনা। সীমা বিবাদ লাগে চুবুৰীয়া ঘৰৰ মাজত, চুবুৰীয়া ৰাজ্যৰ মাজত, চুবুৰীয়া দেশৰ মাজত। সীমাক লৈ চুবুৰীয়াৰ মাজতে কেতিয়াবা কটাকটি-মৰামৰি লগাৰ দৰে দেশৰ সীমা বিবাদেও কেতিয়াবা ভয়ংকৰ ৰূপ লয়। কাশ্মীৰক লৈ ভাৰত-পাকিস্তানৰ বিবাদ বা মধ্যপ্ৰাচ্যৰ চাড অঞ্চলটোক লৈ ইজৰায়েল- পেলেষ্টাইনৰ বিবাদ সৰ্বজনজ্ঞাত। চীনেও অৰুণাচল ৰাজ্যখন তেওঁলোকৰ বুলি মাজে মাজে দাবী কৰি থাকে, তেনেকৈ থাকে তিব্বত তেওঁলোকৰ দেশৰ ভিতৰুৱা বুলি। আমাৰ দেশতো চুবুৰীয়া ৰাজ্য কিছুমানৰ বিবাদ সঘনে লাগি থাকে। অৰুণাচলে অসমৰ মাটি দখল কৰাৰ অভিযোগ প্ৰায়ে শুনা যায়। নাগালেণ্ডেতো তেওঁলোকৰ প্ৰস্তাৱিত নাগালিমত অসমৰ বুজন পৰিমাণৰ মাটিয়েই সুমুৱাই লৈছে। মেঘালয়ৰ লগত আমাৰ সীমা বিবাদ তেনেকৈ নাছিল; কিন্তু ই সম্প্ৰতি আৰম্ভ হৈছে। কামৰূপৰ বকো অঞ্চলৰ দক্ষিণে থকা লাম্পি নামৰ এলেকাটো মেঘালয়ে নিজৰ বুলি দাবী কৰিছে। এই সন্দৰ্ভত মেঘালয় চৰকাৰে আনকি কেবিনেট সিদ্ধান্তও লৈ পেলাইছে। নক'লেও হ'ব, এই সিদ্ধান্ত মেঘালয়ৰ সম্প্ৰসাৰণবাদী মনোভাবৰ পৰিচায়ক। কাৰণ মেঘালয়ৰ জন্ম কালৰ পৰাই লাম্পি অঞ্চলটো অসমৰ মাটিত। সীমামূৰীয়া হোৱা হেতুকে ইয়াত খাছি, গাৰো আদি ভালেমান সম্প্ৰদায়ৰ বসতি, যিসকল মূলতঃ মেঘালয়ৰ অধিবাসী। কিন্তু এওঁলোকেও নিজকে অসমৰ নাগৰিক বুলিয়েই সৰ্বান্তঃকৰণে ভাবি আহিছে। তথাপি মেঘালয় চৰকাৰকে ধৰি মেঘালয়ৰ কেতবোৰ উগ্ৰ জাতীয়তাবাদী সংগঠনে লাম্পি অঞ্চলটো মেঘালয়ৰ বুলি হুংকাৰ দিয়াটো অশোভনীয়েই নহয়, অযুগুতো। সুখৰ বিষয়, আমাৰ চৰকাৰে এই হুংকাৰলৈ কেৰেপ কৰা নাই। কালি অসমৰ তৰুণ স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে অনেক বাধা নেওচি অঞ্চলটোত উপস্থিত হয়গৈ আৰু তাত এটা স্বাস্থ্য উপকেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। অকল সেয়ে নহয়, দুমাহ মানৰ ভিতৰতে এটা পূৰ্ণ পৰ্যায়ৰ স্বাস্থ্যকেন্দ্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ লগতে তাত এটা বজাৰ গৃহ আৰু পৰিদৰ্শন বঙলাও নিৰ্মাণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। যাতায়াতৰ উন্নতিৰ বাবে বাৰ কোটিটকীয়া আঁচনিও মন্ত্ৰীগৰাকীয়ে সভাত দাঙি ধৰে। এনেবোৰ প্ৰতিশ্ৰুতি কিমান সফল হয়গৈ তাক সময়েহে ক'ব। কিন্তু মন্ত্ৰীগৰাকীয়ে বিতৰ্কিত স্থানত উপস্থিত হৈ তাত স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰি যি সাহসিকতা প্ৰদৰ্শন কৰিলে সি ধন্যবাদাৰ্হ। কোনোবা এটা অঞ্চল নিজ ৰাজ্যৰ ভিতৰুৱা বুলি কোনো চৰকাৰে দাবী কৰিলেই সি সেই ৰাজ্যৰ হৈ নপৰে, সীমামূৰীয়া ৰাজ্যবোৰৰ সীমা বিবাদ নিষ্পত্তি কৰাৰ অধিকাৰ আছে মাথোন আদালতৰহে, মন্ত্ৰীগৰাকীয়ে কৰা এই উক্তিও তাৎপৰ্যপূৰ্ণ।

ইউৰেনিয়াম খনন ঃ বিপদ যাৰ লগৰীয়া

লীনা কৃষ্ণণ

ইউৰেনিয়াম কৰ্প'ৰেশ্যন অব্ ইণ্ডিয়া লিমিটেডৰ (ইউ চি আই এল) ইউৰেনিয়াম নিষ্কাশন প্ৰকল্পত উৎপন্ন হোৱা বৰ্জনীয় পদাৰ্থবোৰ ষ্ট'ৰেজ ডেমলৈ কঢ়িয়াই নিয়া পাইপডাল প্ৰায় ১৭ মাহ পূৰ্বে, ২০০৬ চনৰ খ্ৰীষ্টমাছ ইভৰ দিনা ঝাৰখণ্ডৰ জাডুগুদাৰ কাষত ডুংৰিদিহ গাঁওখনত ফাটি যোৱাৰ ফলত এই পদাৰ্থবোৰ স্থানীয় জুৰি এটাত পৰেগৈ। গাঁওবাসীয়ে নজনোৱালৈকে প্ৰকল্পটোৰ বিষয়াবৰ্গই ঘটনাটোৰ কথা পিছে গমেই পোৱা নাছিল। কথাটো জনাৰ ন ঘণ্টা পাছলৈকে আনকি তেওঁলোকে কোনো পদক্ষেপেই গ্ৰহণ নকৰিলে। ইতিমধ্যে এই তেজস্ক্ৰিয় পদাৰ্থবোৰ জুৰিটোত মিহলি হৈ পৰিল। জুৰিটোৰ কাষত আৰু নামনিত বসবাস কৰা যিসকল লোক জলসিঞ্চন আৰু মাছমৰাৰ বাবে ইয়াৰ ওপৰত নিৰ্ভৰশীল, তেওঁলোকৰ ক্ষতি হ'ল। কিন্তু তেওঁলোকক পানী যোগানৰ বাবে কোনো সুকীয়া ব্যৱস্থা কৰা নহ'ল। তদুপৰি এই ঘটনাৰ ফলত পৰিব পৰা তেজস্ক্ৰিয়তাৰ প্ৰভাৱ নিৰীক্ষণ কৰিবলৈকো কোনো ব্যৱস্থা গ্ৰহণ কৰা নহ'ল।

অঞ্চলটোত ইউৰেনিয়াম খননৰ কু-প্ৰভাৱৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি মাত মাতি অহা ঝাৰখণ্ড অ'ৰ্গেনাইজেশ্যন এগেইনষ্ট ৰেডিয়েশ্যনে (জে অ' এ আৰ) অঞ্চলটো পানী আৰু মাটি দূষণমুক্ত কৰিবলৈ ইউ চি আই এলৰ ওচৰত তেনে সময়তে দাবী জনালে। কোম্পানীটোৱে অৱশ্যে ঘটনাটো গুৰুত্ব সহকাৰে লোৱা নাছিল। ভাৰতৰ সকলোবোৰ পাৰমাণৱিক প্ৰকল্প পৰিচালনা কৰা আণৱিক শক্তি বিভাগৰ মুৰব্বী অনিল কাকোড়কাৰেও আনকি ঘটনাটোত বিশেষ গুৰুত্ব নিদি পাইপ লাইনৰ পৰা সামান্য পৰিমাণৰ বিষাক্ত পদাৰ্থ নিৰ্গত হোৱা বুলিহে উল্লেখ কৰিছিল। তেওঁৰ মতে, ইয়াৰ পৰা কাৰো ক্ষতি নহয়। ২০০৮ চনৰ ২১ ফেব্ৰুৱাৰীত আন এডাল পাইপ লাইনত বিজুতি ঘটিল, আৰু ইয়াৰ পৰা ওলোৱা বিষাক্ত পদাৰ্থবোৰ খনি কৰ্মীসকলৰ বাসগৃহতো সোমাল।

এইবাৰ অৱশ্যে জে অ' এ আৰৰ সৈতে জড়িত প্ৰতিবাদী তথ্যচিত্ৰ নিৰ্মাতা শ্ৰীপ্ৰকাশে এই ক্ষেত্ৰত কিছু প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিবলৈ সিদ্ধান্ত কৰিলে। তথ্য জনাৰ অধিকাৰ আইন, ২০০৫-ৰ আধাৰতে তেওঁ ন-কৈ হোৱা নিৰ্গমণ সম্পৰ্কত তথ্য-পাতি দাবী কৰিলে। ইউ চি আই এলে শ্ৰীপ্ৰকাশক দিয়া উত্তৰত উল্লেখ কৰে যে পাইপ লাইনত ফাট মেলা হেতুকেই সামান্য পৰিমাণে তেজস্ক্ৰিয় পদাৰ্থ নিৰ্গত হ'বলৈ পায়। এদিন ধৰি চলা পৰিষ্কাৰ অভিযানটোত কৰ্মীসকল তেনেকৈ তেজস্ক্ৰিয়তাৰ প্ৰভাৱত পৰা নাছিল বুলিও লগতে উল্লেখ কৰা হয়। যথেষ্ট পৰিমাণৰ লিকটীয়া বোকা ওলাই ঠাইডোখৰত বিয়পি পৰাটো ফটোগ্ৰাফসমূহত স্পষ্টভাৱে দেখিবলৈ পোৱা গৈছিল যদিও ইউ চি আই এলে দাবী কৰে যে পাইপ লাইনৰ কাষতে থকা মাটিৰ বান্ধটোৱে সেইবোৰ ভেটি ৰাখিছিল। এই দুৰ্ঘটনাটোৰ প্ৰতি কৰ্তৃপক্ষই দেখুওৱা প্ৰতিক্ৰিয়াই স্পষ্টভাৱে দেখুৱায় যে কাষৰীয়া লোকসকলৰ নিৰাপত্তাৰ প্ৰতি পাৰমাণৱিক বিভাগসমূহে বিশেষ গুৰুত্ব নিদিয়ে। বৰ্জনীয় পদাৰ্থ কঢ়িয়াই নিয়া পাইপ লাইন এডাল দিল্লীৰ কেন্দ্ৰস্থলতে ফাটি মানুহৰ ঘৰত তেনে পদাৰ্থ সোমালে (বিষাক্ত পদাৰ্থৰ কথা নক'লোৱেইবা) কথাটো ইমান সহজে লোৱা হ'ব বুলি কল্পনাই কৰিব নোৱাৰি।

বিপদ এই অঞ্চলৰ এটা লগৰীয়া বুলিয়েই ক'ব পাৰে। যোৱা চাৰি দশক ধৰি জাডুগুদাই ভাৰতত অভিলাষী পাৰমাণৱিক আঁচনিখনলৈ ইউৰেনিয়াম যোগান ধৰি আহিছে। খনি আৰু নিষ্কাশন প্ৰকল্পটোলৈ শ্ৰমিকৰ যোগান ধৰি আহিছে এই অঞ্চলৰ থলুৱা বাসিন্দা চাওতাল আৰু হো সম্প্ৰদায়ৰ লোকসকলে। মুকলি হৈ থকা পুখুৰীটোত পেলোৱা ইউৰেনিয়াম নিষ্কাশনৰ ফলত উৎপন্ন হোৱা বৰ্জনীয় পদাৰ্থবোৰত বিষাক্ত গধুৰ ধাতু আৰু তেজস্ক্ৰিয় পদাৰ্থ মিহলি হৈ থাকে। জুলীয়া পদাৰ্থবোৰ বাষ্প হৈ যাব বুলি ধৰি লোৱা হ'লেও প্ৰায়ে সিবিলাক মাটিৰ তললৈ বৈ ভূ-জলত মিহলি হৈ পৰে। বাৰিষা কালত এই বৰ্জনীয় পদাৰ্থবোৰ উটি গৈ খেতি পথাৰত পৰে, ফলত সিবিলাক খাদ্য-চক্ৰৰো অংশ হৈ পৰে। ইউৰেনিয়াম খননৰ ফলত উৎপন্ন হোৱা অৱশিষ্ট গুড়িবোৰ ঘৰ সাজিবলৈ আৰু বাট-পথ বান্ধিবলৈকো ব্যৱহাৰ কৰা হয়। কিন্তু ইবিলাকৰ পৰা বিকিৰিত হোৱা তেজস্ক্ৰিয় কেদনে যে স্বাস্থ্যৰ ক্ষতি কৰিব পাৰে, সেই বিষয়ে অৱশ্যে কৰ্তৃপক্ষই জনসাধাৰণক সাৱধান কৰি দিয়া নাই। প্ৰকল্পটোত কাম কৰা লোকসকলে নিজৰ ইউনিফৰ্ম ঘৰলৈ পিন্ধি গৈ পৰিয়ালৰ বাবেও বিপদৰ সম্ভাৱনা কঢ়িয়াই আনিছে। আনহাতে অস্থায়ী শ্ৰমিকসকলে সুৰক্ষামূলক পোছাক-পাতি নোহোৱাকৈয়ে হায়দৰাবাদত থকা পাৰমাণৱিক ইন্ধন প্ৰকল্পলৈ বুলি ট্ৰাক আৰু ৰে'লত পদাৰ্থবোৰ বোজাই কৰে। ইয়াতে পাৰমাণৱিক প্ৰকল্পবিলাকৰ বাবে ইন্ধন প্ৰস্তুত কৰা হয় আৰু নিষ্কাশনৰ পাছত অস্ত্ৰ-শস্ত্ৰত ব্যৱহাৰ কৰিবৰ বাবে ভাৱা এট'মিক ৰিছাৰ্চ চেণ্টাৰলৈকো ইবিলাক প্ৰেৰণ কৰা হয়।

এই ক্ষেত্ৰত বোধহয় তীব্ৰ প্ৰতিবাদ কৰিছে জে অ' এ আৰেহে। কিন্তু দিন যোৱাৰ লগে লগে আন বহুতে, বিশেষকৈ স্থানীয় সংবাদ মাধ্যমে ইউৰেনিয়াম খনন আৰু স্থানীয় লোকসকলৰ স্বাস্থ্যৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কত গুৰুত্ব দিবলৈ ধৰে। ফল হিচাপে ১৯৯৮ চনত বিহাৰ বিধান পৰিষদে চিকিৎসকৰ এটা দলেৰে সৈতে ইয়াৰ পৰিৱেশ কমিটীখনক জাডুগুদালৈ প্ৰেৰণ কৰিছিল। ঝাৰখণ্ড ৰাজ্যখন অৱশ্যে তেতিয়া গঠিত হোৱা নাছিল। স্থানীয় লোকৰ স্বাস্থ্যৰ ক্ষতি কৰা বাবে ইউ চি আই এলৰ কাম-কাজক কমিটীখনৰ প্ৰতিবেদনত দোষাৰোপ কৰা হৈছিল। ৪৬টা পৰিয়ালক স্থানান্তৰ কৰিবলৈ এই কমিটীখনে নিৰ্দেশ দিছিল আৰু খনি অঞ্চলৰ বিপদ-বিঘিনিবোৰৰ কথা উল্লেখ থকা জাননী আঁৰিবলৈকো পৰামৰ্শ দিছিল। ১৯৯৮ চনত শ্ৰীপ্ৰকাশে নিৰ্মাণ কৰা 'বুদ্ধ উইপ্‌ছ ইন জাডুগুদা' নামৰ তথ্যচিত্ৰখনত অঞ্চলটোত দেখিবলৈ পোৱা জন্মগত বিকৃতিৰ ওপৰত আলোকপাত কৰা হৈছিল। ইউৰেনিয়াম খনন আৰু সিবিলাকৰ ভঙা, গুড়ি কৰা আদি কাৰ্যই স্থানীয় লোকৰ স্বাস্থ্যৰ ওপৰত কেনে প্ৰভাৱ পেলায়, তাক জানিবলৈ স্থানীয় বিভিন্ন গোটৰ সৈতে সুৰেন্দ্ৰ গাডেকাৰ, শ্ৰীকুমাৰ আৰু সংঘমিত্ৰা গাডেকাৰে ২০০০ চনত এটা জৰীপ চলাইছিল। ১৯৬৭ চনত ইউৰেনিয়াম খনন আৰম্ভ হোৱাৰ পাছৰ কালছোৱাত জন্মাসকলৰ ক্ষেত্ৰত জন্মগত বিকৃতি বৃদ্ধি পোৱাটোৱে কেৱল এই জৰীপত প্ৰকাশ পোৱা নাছিল, ছিলিক'ছিছ অথবা কৰ্কট ৰোগলৈ ৰূপান্তৰিত হ'ব পৰা দীৰ্ঘস্থায়ী হাঁওফাঁওৰ ৰোগো কোম্পানীটোৰ খনি কৰ্মীসকলৰ মাজত অতিমাত্ৰা বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছিল। ইউ চি আই এলৰ কৰ্মক্ষেত্ৰৰ কাষৰ গাঁওবোৰত এবছৰ বয়স নৌহওঁতেই নটা শিশুৰ মৃত্যু ঘটিছিল। শিশুকেইটাৰ আঠোটাৰেই জন্মগত বিকৃতি আছিল। নিয়ন্ত্ৰণত থকা গাঁওবোৰত তথ্য মতে, ছটা অকাল মৃত্যুৰ ঘটনা ঘটাৰ কথা জনা যায়। সাধাৰণ জ্বৰ, ডায়েৰিয়া, অকালত জন্ম হোৱা আদিয়ে আছিল মৃত্যুৰ কাৰণ। একেদৰে এনে গাঁওবোৰত সাতজন পুৰুষ আৰু সাতগৰাকী মহিলাৰ ক্ষেত্ৰত জন্মগত বিকৃতি দেখা গৈছিল; কিন্তু ইয়াৰ বিপৰীতে প্ৰকল্পৰ কাষৰীয়া গাঁওবোৰত ৫২জন পুৰুষ আৰু ৩৪গৰাকী মহিলাৰ ক্ষেত্ৰত এনে বিকৃতি পৰিলক্ষিত হৈছিল।

পৰিৱেশ দূষিত হোৱাৰ উপৰি সঘনাই দুৰ্ঘটনা হোৱাটো বন্ধ কৰিবলৈ নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰাটোও দৰকাৰ। দুৰ্ঘটনা একোটা ঘটাৰ পাছত বিশেষ একো কৰিব নোৱাৰি, কাৰণ ইয়াৰ প্ৰভাৱ অনুমান কৰাটো কঠিন। তদুপৰি এনে দুৰ্ঘটনাৰ প্ৰভাৱ কল্পনাৰ অগোচৰো হ'ব পাৰে। ২০ বছৰ পূৰ্বে হোৱা চাৰ্নোবিল দুৰ্ঘটনাই দূষিত কৰা অঞ্চলবোৰত খুঁত থকা ৰেলশ্ব ভেড়াবোৰ এতিয়াও নিয়মীয়াকৈ বাছি উলিওৱা হয়। এই দুৰ্ঘটনাটোৰ ক্ষেত্ৰত অৱলম্বন কৰা গোপনীয়তা বিশেষভাৱে জনাজাত। ভাৰততো আণৱিক শক্তি বিভাগে ইয়াৰ প্ৰতিষ্ঠানবোৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা নিৰাপত্তামূলক ব্যৱস্থাবোৰ তৰ্কাতীত নহয়। উদাহৰণস্বৰূপে কালাপক্কম ৰিপ্ৰচেছিং প্লাণ্টত (কে আৰ পি) ২০০৩ চনত হোৱা এটা দুৰ্ঘটনাৰ ফলত ইয়াৰ কৰ্মীসকলৰ ওপৰত যথেষ্ট বেছি পৰিমাণে বিকিৰণৰ (২৮০-৪২০ এম এছ ভি) প্ৰভাৱ পৰিছিল। ভাল্‌ভ এটাত বিজুতি ঘটাৰ ফলতে এই দুৰ্ঘটনাটো হোৱা বুলি কোৱা হৈছিল। কম তেজস্ক্ৰিয় বৰ্জনীয় পদাৰ্থৰ টেংক এটাত অত্যধিকভাৱে তেজস্ক্ৰিয় পদাৰ্থ কিছুমান ইয়াৰ ফলত সোমাই পৰিছিল। কিন্তু অঞ্চলটোত হোৱা বিকিৰণৰ নিৰীক্ষণ কৰিবলৈ কোনো ব্যৱস্থা লোৱা নহ'ল। তদুপৰি ভাল্‌ভৰ বিজুতি ধৰা পেলাব পৰা কোনো ব্যৱস্থাও স্থাপন কৰা নহ'ল। তেওঁলোক যে বিকিৰণৰ প্ৰভাৱত পৰিব পাৰে, সেই কথা নজনাকৈয়ে সাধাৰণতে কৰাৰ দৰেই কৰ্মীসকলে নমুনা সংগ্ৰহ কৰাত লাগিছিল। সৰ্বক্ষণৰ বাবে নিৰাপত্তা বিষয়া এজন নিয়োগ কৰাৰ দাবী জনাই পৰিচালক মণ্ডলীৰ কোঠাত প্ৰৱেশ কৰাৰ বাবে ওলোটাই কৰ্মীসকলক দোষাৰোপ কৰা হৈছিল। কৰ্মীসকল অত্যধিকভাৱে বিকিৰণৰ প্ৰভাৱত পৰিব লগা হোৱা দুটাকৈ দুৰ্ঘটনা পূৰ্বে ঘটি যোৱাৰ কথা কৰ্মচাৰী ইউনিয়নে আঙুলিয়াই দিয়াৰ উপৰি নিৰাপত্তা কমিটী এখনেও প্ৰকল্পটো বন্ধ কৰিবলৈ পৰামৰ্শ দিয়া সত্ত্বেও প্ৰকল্পটো এতিয়াও চলাই ৰখা হৈছে।

নিৰাপত্তাজনিত সমস্যা আৰু অত্যধিক অৰ্থনৈতিক ব্যয় সত্ত্বেও পাৰমাণৱিক শক্তিৰ আকৰ্ষণ এতিয়াও কমা নাই। ভাৰতৰ দহোটা প্ৰেছাৰাইজড্ হেভী ৱাটাৰ ৰিয়েক্টৰলৈ অতদিনে জাডুগুদাই প্ৰয়োজনীয় সকলো ইউৰেনিয়াম যোগান ধৰি আহিছে। কিন্তু ভালেকেইটা প্ৰকল্পৰ বৰ্তমান যিহেতু আঁচনি কৰা হৈছে, সেয়ে এই অঞ্চলৰ খনিবোৰে প্ৰয়োজনানুসাৰে ইউৰেনিয়ামৰ যোগান ধৰিব নোৱাৰিব। এইবাবেই ইউ চি আই এলে মেঘালয় আৰু অন্ধ্ৰ প্ৰদেশত ইউৰেনিয়াম খননৰ বাবে প্ৰচেষ্টা চলাইছে। এই প্ৰচেষ্টাৰ যদি বিৰোধিতা কৰা নহয়, তেন্তে এই ৰাজ্যকেইখনো চাওতালসকলে মুখামুখি হোৱাৰ দৰে বিপদৰ সন্মুখীন হ'ব।

(লেখিকা বাংগালোৰৰ চেণ্টাৰ ফৰ ইণ্টাৰডিচিপ্লিনেৰী ষ্টাডিজ ইন এনভিৰনমেণ্ট এণ্ড ডেভেলপমেণ্টৰ প্ৰগ্ৰাম ডেভেলপমেণ্ট অফিচাৰ। তেওঁ এতিয়ালৈকে ১৬ বছৰীয়া কৰ্মজীৱনত টেলিভিছন, ৰাষ্ট্ৰসংঘৰ বিভিন্ন আঁচনি, বাতৰিকাকত আৰু স্বেচ্ছাসেৱী সংগঠনৰ জৰিয়তে পৰিৱেশ আৰু উন্নয়ন বিষয়ত তৃণমূলৰ জনসাধাৰণৰ মাজত সজাগতা অনাৰ চেষ্টা কৰি আহিছে।)

বিতৰ্কত মৌলবাদ

দুলাল পূজাৰী

আধুনিক শিক্ষাই হিন্দু সমাজত অন্ধবিশ্বাস, কু-সংস্কাৰৰ বিৰুদ্ধে আন্দোলন, নৱ জাগৰণৰ সৃষ্টি কৰিলে। এই নৱজাগৰণৰ প্ৰতিক্ৰিয়া ৰূপে যুক্তিবাদী আন্দোলনক ভেটা দিবলৈ উচ্চবৰ্ণৰ ৰক্ষণশীলসকলে হিন্দু মহাসভা, আৰ এছ এছৰ জন্ম দিলে। আমাৰ ৰাজ্যৰ পণ্ডিত গুণাভিৰাম বৰুৱাই ক'লে—'আমাৰ দেশত যিমানবিলাক দেশাচাৰ আছে, কোনো সভ্য লোকে তাৰ প্ৰশংসা নকৰে। এতেকে সেইবিলাক জিমান দিনলৈকে পৰিবৰ্তন ন-হই, তিমান দিনলৈ আমাৰ দেসৰ মঙ্গল হবৰ সম্ভাৱনা নাই। এতেকে বিদ্যাৰ চৰণত নপৰ্সিলে এই সকল দুখৰ মোচন হ'বৰ উপায় নাই।' আৰ এছ এছে বিদ্যাৰ এই মুখ্য উদ্দেশ্যকে ভোটা কৰিব বিচাৰে। তেওঁলোকে সতীদাহ প্ৰথা, বিধৱাৰ পুনৰ বিবাহ ৰোধ, ৰাজতন্ত্ৰ, অস্পৃশ্যতা আদিক পুনৰ মহীয়ান কৰিব বিচাৰে। ৮ এপ্ৰিলত গোলাঘাটৰ পৰা বিপিন চন্দ্ৰ বৰাই আশ্চৰ্য প্ৰকাশ কৰিছে ঃ আনকি তেওঁলোকৰ অধীনৰ (বিদ্যাভাৰতী) বিদ্যালয়ত যাগ-যজ্ঞ আৰু বলিৰ ব্যাৱহাৰিক শ্ৰেণীৰ আৰম্ভ কৰাৰ কথাও পঢ়িবলৈ পাইছিলোঁ, বোধহয় কোনোবা ৰাজ্যৰ সৰস্বতী শিশু মন্দিৰত। গৈৰিক বাহিনীৰ পৃষ্ঠপোষকতাত এন ডি এ চৰকাৰ ক্ষমতাত থাকোঁতে মানৱ সম্পদ উন্নয়ন দপ্তৰৰ ৰাজ্য মন্ত্ৰী সঞ্জয় পাছোৱানে বিহাৰত সমস্ত তান্ত্ৰিক বেজক গোট খুৱাইছিল। তেওঁলোকক ৰাজকীয় পৃষ্ঠপোষকতা আগ বঢ়াই বিজ্ঞান শিক্ষাৰ বাবে ৰখা জমাৰাশি ছাত্ৰক জৰা-ফুঁকা শিকোৱাত খৰচ কৰিবলৈ বিচাৰিছিল। আনজন কেবিনেট মন্ত্ৰী মুৰলী মনোহৰ যোশীয়ে জ্যোতিষ শাস্ত্ৰক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিবলৈ বিচাৰিছিল। আদিকবি বাল্মিকীয়ে জ্যোতিষ শাস্ত্ৰক মহাকাব্য যুগতে নস্যাৎ কৰিছিল। মহাৰাজ দশৰথে ৰামচন্দ্ৰক ক'লে, 'আজি চন্দ্ৰ পূৰ্ণবসু নক্ষত্ৰত আছে, কাইলৈ পুষ্যা নক্ষত্ৰলৈ গমন কৰিব; সেই যোগ অতি শুভ, অতএৱ তোমাক কাইলৈ যুৱৰাজ ৰূপে অভিষিক্ত কৰিম।' কিন্তু ৰাতিটো পাৰ হোৱাৰ পাছতেই ৰামচন্দ্ৰৰ অভিযেক নহৈ হ'ল বনবাস।

আধ্যাত্মিক শিক্ষাৰ নামত প্ৰাচীন যুগৰ ধৰ্মীয় শিক্ষালৈ যিসকলে আমাক নিব খোজে, তেওঁলোকক জনাওঁ যে আধ্যাত্মিক শিক্ষাই যদি মানুহৰ নৈতিক পৰিবৰ্তন কৰিব পাৰিলেহেঁতেন, তেন্তে পশ্চিম বংগত নৱবৰ্ষৰ দ্বিতীয় দিৱসতে সম্পত্তিৰ লোভত শিষ্যৰ দ্বাৰা আশ্ৰম প্ৰধান্য সংহিতা দেৱীৰ হত্যা নহ'লহেঁতেন। সেইদৰে আনক আধ্যাত্মিক শিক্ষা দিয়া হিন্দু ধৰ্মৰ গুৰু কাঞ্চীৰ শংকৰাচাৰ্য জয়েন্দ্ৰ সৰস্বতী হত্যাৰ গোচৰত কাৰাগাৰৰ কুঠৰীত কাল যাপন কৰিব লগা নহ'লহেঁতেন। শিশু নিকেতনৰ লগত জড়িত বহুকেইজন যুৱকেই অতি সৎ, নিষ্ঠাৱান আৰু ধৰ্মপৰায়ণ। কিন্তু এইটোও সত্য যে আমাৰ বিধান সভা সমষ্টিৰ দুখন শিশু নিকেতনৰ দুয়োখনৰে প্ৰধান আচাৰ্য দুৰ্নীতিৰ অভিযোগত নিলম্বিত। আমাৰ দেশত বিদ্যালয়, চিকিৎসালয়তকৈ মন্দিৰ, মছজিদৰ সংখ্যা ২৪ লাখ বেছি। কিন্তু মন্দিৰ, মছজিদৰ লগতে দুৰ্নীতি-ভ্ৰষ্টাচাৰো বাঢ়িছে। অৱশ্যে সমাজত ধৰ্মৰ এটা ইতিবাচক ভূমিকাও আছিল। আমেৰিকাত নিগ্ৰোসকলৰ ওপৰত চলা অত্যাচাৰ, বীৰচা মুণ্ডাৰ উলগুলান (বিদ্ৰোহ) ভগৱানৰ নাম লৈয়ে হৈছিল। জৰ্জ টমচনে কৈছে—'আচল সত্য হৈছে পৃথিৱীত দুজন খ্ৰীষ্ট আছে। এজন দুখীয়াৰ খ্ৰীষ্ট, যিজনক তেওঁলোকে দুখ-বেদনাৰ প্ৰতিমূৰ্তি আৰু তেওঁলোকৰ মুক্তিৰ আশাৰ প্ৰতীকৰূপে আৱহমান কালৰ পৰা পূজা কৰে।' পৰাগ পৰন শৰ্মা বড়াই কৈছে— 'ৰামৰ নামত ৰাজনীতি আৰ এছ এছেই নহয়, গান্ধীয়েও কৰিছিল।' কিন্তু সাধাৰণ প্ৰজাৰ বাবে গান্ধীজী আছিল দৰিদ্ৰ নাৰায়ণৰ সেৱক। গান্ধীজীৰ বাবে ৰামৰাজ্য আছিল প্ৰেম, সত্য, অহিংসা আৰু ন্যায়ৰ প্ৰতীক। সংঘ পৰিয়ালে গান্ধীৰ জনমভূমিত ক্ষমতালৈ আহি যি ৰামৰাজ্য প্ৰতিষ্ঠা কৰিছে, তাত এটা সম্প্ৰদায়ৰ বাবে প্ৰেম, সত্য, অহিংসা আৰু ন্যায় অনুপস্থিত।

মধ্যযুগত অসমত শংকৰ-মাধৱ-আজান ফকীৰে প্ৰচলন কৰা মানৱতাবাদী সোঁতটো ঊনৈশ শতিকাত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিয়ে যুক্তিবাদী আন্দোলনলৈ পৰিৱৰ্তন কৰে। পছোৱা বতাহে লুইতৰ নিৰ্মল পানী প্ৰদূষিত কৰিবলৈ চেষ্টা কৰা নাছিল— এনে নহয়। 'জীৱন স্মৃতি'ত লক্ষীধৰে লিখিছে ঃ 'সেই সময়ত অসমত হিন্দু মহাসভাৰ ঢৌ সোমাইছে। দেৱেশ্বৰ, অমিয়, হেম বৰুৱা আৰু মই এই আন্দোলন অসমত প্ৰৱেশ কৰা কথাটো ভাল নেপাইছিলো। এদিন শ্ৰীশ্ৰী গড়মূৰী গোস্বামীদেৱৰ সভাপতিত্বত কাৰ্জন হলত এখন ডাঙৰ সভা আহ্বান কৰা হ'ল।... প্ৰশ্নৰ খুন্দাত হিন্দু মহাসভাৰ সভ্য হ'বলৈ যেতিয়া মানুহক আহ্বান কৰা হ'ল তেতিয়া মুঠেই ১/২জনহে সভ্য হ'ল।' (দেশপ্ৰাণ লক্ষীধৰ শৰ্মা, ১৮৯৯-১৯৩৪)। অসমৰ সমাজ আৰু সংস্কৃতিত জ্যোতি, বিষ্ণু, ভবানন্দ দত্ত, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আদিয়ে আৰম্ভ কৰা ৰাবিন্দ্ৰিক চেতনাৰ ঢৌ ভূপেন গোস্বামীয়ে বৰ্ণনা কৰাৰ দৰে 'অসমৰ বিদেশী বিতাৰণ' আন্দোলনৰ ঢৌৱে সলনি কৰিলে। সংঘ পৰিয়ালে অসমৰ বিদ্যানিকেতনত পৃথক ইতিহাসৰ পাঠদান কৰিব বিচাৰে। অসমৰ স্বনামধন্য সাহিত্যিক, শিশু শিক্ষা সমিতিৰ অসমৰ সভাপতি অতুলানন্দ গোস্বামীয়ে শিশু নিকেতনসমূহত অধ্যয়নৰত কণ কণ শিশুসকলৰ মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে প্ৰকাশিত লখিমপুৰ বিভাগৰ বছৰেকীয়া মুখপত্ৰ 'ভাৰতী' ২০০৩-ত অভিযোগ কৰিছে— বুৰঞ্জী বিকৃত হৈছে, বুৰঞ্জীৰ তথ্যক লুক-ঢাক কৰা হৈছে 'বাবৰৰ সহচৰ শেকজাইনে 'তাবাকট ই বাবুৰি' নামে গ্ৰন্থত ১০৮ পৃষ্ঠাত থকা বৰ্ণনা এটা অসমীয়ালৈ অনুবাদ কৰিলে এনেকুৱা হ'ব ঃ হিজৰি ৯৩৪ চনত (১৫২৮ খ্ৰীঃ) ইছলামৰ ৰাজকীয় ধ্বজাৰ আলোকত চান্দেৰী উজলি উঠিল। এই বিবৃতি দিওঁতাই মহান জনৰ (His solomon Majesty) নিৰ্দেশত সংগৰ অতি বিশ্বস্ত মেদিনী ৰায়ক পৰাভূত কৰি, পাঁচ কি ছয় হাজাৰ শত্ৰু সৈন্যক সংহাৰ কৰি তেওঁলোকৰ সা-সম্পত্তি ধ্বংস কৰাৰ উপৰি সেই অধৰ্মীসকলৰ মঠ-মন্দিৰবোৰ ধূলিসাৎ কৰি সেই ঠাইত মন্দিৰ আৰু অন্য গৃহ নিৰ্মাণৰ দায়িত্ব ল'ব লগা হৈছিল।' তেখেতে পুনৰ খেদ প্ৰকাশ কৰিছে— 'আমি বুৰঞ্জীত বাবৰৰ এই বৰ্বৰতাৰ দিশটো পঢ়িবলৈ নাপাওঁ।' শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰা মাহেকীয়া সাংস্কৃতিক সংবাদৰ ৰামসেতু বিশেষাংকৰ শেষ পৃষ্ঠাত অশোক সিংহলে কৈছে, 'ৰামসেতু এক লাখ বছৰ পূৰ্বে নিৰ্মাণ কৰা হৈছে।' একেই সংখ্যাৰ চতুৰ্থ পৃষ্ঠাত কোৱা হৈছে— 'ভগৱান শ্ৰীৰাম ত্ৰেতা যুগত আছিল। সেইমতে শ্ৰীৰামসেতু ১৭,৩৩১,০৯ বছৰ পুৰণি।' ইতিহাসে কয় ঃ আৰ্যসকল খ্ৰীঃপূঃ ১৫০০ চনতহে ভাৰতবৰ্ষলৈ আহিছিল। অৰ্থাৎ শ্ৰীৰামচন্দ্ৰ ভগৱান কাৰণে জন্ম হোৱাৰ আগেয়েই ৰামসেতু নিৰ্মাণ কৰিছিল।

শৰ্মা বড়াই কৈছে ঃ সুভাষ চন্দ্ৰ বসুক কোনোবা কমিউনিষ্টে অশ্ৰাব্য ভাষাত গালি পাৰিছিল। কিন্তু সুভাষ বসুক অপমান কৰাত আমি বেয়া পালে কি হ'ব, তেওঁৰ শিষ্যসকলেই (ফৰৱাৰ্ড ব্লক) আজি ত্ৰিছ বছৰৰো অধিককাল পশ্চিম বংগত কমিউনিষ্টৰ লগত সনা-পোটকা কৰি ৰাজপাট খাই আছে। পৰাগ পৰন শৰ্মা বড়াই ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলন আৰু মুছলিম লীগৰ আন্দোলনৰ প্ৰতি সমৰ্থন কৰা ঐতিহাসিক ভুলৰ বাবে ক্ষমা খুজিবলৈ ক'বলৈ মোক কোৱা হৈছে। কোনো ৰাজনৈতিক দলক ক্ষমা খুজিবলৈ ক'বলৈ ধৃষ্টতা মই দেখুৱাব নোৱাৰোঁ। ইতিহাসৰ অনুৰাগী হিচাপে মোৰ জ্ঞান আৰু বিশ্বাসত যি সত্য, তাকে পাঠকৰ ওচৰত দাঙি ধৰিছোঁ। উল্লেখ্য, ঐতিহাসিক ভুলৰ বাবে কমিউনিষ্ট দলেও আত্মসমালোচনা কৰিছে। ১৯৪৮ চনৰ দ্বিতীয় পাৰ্টি কংগ্ৰেছত দলে এই নীতি সংশোধন কৰিছিল। মাৰ্ক্সবাদী কমিউনিষ্ট দলৰ নেতা ই এম এছ নাম্বুদ্ৰিপাদে 'ৰেমনিছেন্সেছ অব্ এন ইণ্ডিয়ান কমিউনিষ্ট' নামৰ গ্ৰন্থত দলৰ এই নীতি ভ্ৰান্ত আছিল বুলি স্বীকাৰ কৰিছে। দ্বিতীয় বিশ্ব যুদ্ধৰ এই জটিল সন্ধিক্ষণত কংগ্ৰেছৰো পুনৰ স্বাধীনতা আন্দোলন আৰম্ভ কৰা সম্পৰ্কে দোদুল্যমানতা আছিল। দক্ষিণ পূব এছিয়াত অগ্ৰসৰমান জাপানী ফেচিবাদী শক্তিকো বাধা দিয়াত দেশৰ স্বাৰ্থ জৰুৰী আছিল। শৰ্মা বড়াই পুনৰ প্ৰশ্ন কৰিছে— যোৱা শতিকাৰ ত্ৰিছ-চল্লিছ দশকতে লিখা গোৱালকাৰৰ গ্ৰন্থখনকে লক্ষ্য কৰি লোৱা হ'ল কিয়? যিহেতু আলোচনাৰ কেন্দ্ৰবিন্দু আছিল মৌলবাদীৰ শিক্ষা। ভাৰতবৰ্ষত বিদ্যাভাৰতীৰ প্ৰথম বিদ্যালয় ১৯৫২ চনত সৰস্বতী শিশু মন্দিৰৰ আৰম্ভ শ্ৰীগুৰুজী কৰকমলেৰে হৈছিল। গুৰুজীৰ দ্বাৰা বিৰচিত দুয়োখন গ্ৰন্থৰ আদৰ্শ সংঘ পৰিয়ালে এতিয়াও আখৰে আখৰে মানি চলিছে। সেয়ে তেখেতৰ দৰ্শন মৌলবাদী হয় নে নহয় পাঠক সমাজে বিবেচনা কৰিব।

যোৰহাট চোলাধৰাৰ পৰা অৱনী বৰঠাকুৰে জনাইছে— আৰ এছ এছে মহাত্মা গান্ধীক প্ৰাতঃস্মৰণ কৰে। 'আগে নেজানিলো এবেসে জানিলো'— তেখেতলৈ ধন্যবাদ। ড° আচাৰ্যয়ো সীতাৰাম (য়েচুৰী) কথা নক'লেও ৰামস্বামী, ৰামানুজন উপাধিধাৰী ব্যক্তিয়ে ৰামায়ণী সংস্কৃতি 'বিকৃত' কৰাটো বিশ্বাসত ল'ব পৰা নাই। তেনেকৈ 'দ্য হিন্দু' বাতৰিকাকতখনতো 'হিন্দুত্ব'-বিৰোধী বহুত খবৰ প্ৰকাশ পায়। তাৰে এটা খবৰ অনুসৰি, ১৯৩৮—৪৬ চনৰ ভিতৰত গড়চে আৰু বিনায়ক দামোদৰ চাভাৰকাৰৰ মাজত ছখন চিঠি আদান-প্ৰদান হৈছিল। এই চিঠিবোৰে প্ৰমাণ কৰে গড়চেৰ দীক্ষাগুৰু চাভাৰকাৰ আছিল আৰু তেওঁ স্বয়ংসেৱক আছিল (২৭ ছেপ্টেম্বৰ, ০৪)। বৰঠাকুৰে জনাইছে— স্বয়ংসেৱক সংঘৰ প্ৰতিষ্ঠাতা কে বি হেডগেৱাৰ কলিকতাৰ অনুশীলন সমিতিৰ লগত জড়িত আছিল। সেয়ে আমি আৰ এছ এছৰ দেশপ্ৰেম জোখ-মাপ কৰা শোভা নাপায়। জীৱনৰ আদি কালছোৱাৰ কৰ্মই যদি দেশপ্ৰেমৰ শেষ কথা হয়, তেন্তে মুছলিম লীগৰ নেতা মহম্মদ আলী জিন্না ১৯০৬—২০ চনলৈ স্বাধীনতা সংগ্ৰামী আছিল। তেওঁ হিন্দু-মুছলমান ঐক্যৰ বাবে যুঁজ দিছিল। সেয়ে সৰোজিনী নাইডুৱে জিন্নাক হিন্দু-মুছলমান ঐক্যৰ প্ৰতিভূ আখ্যা দিছিল। বৰঠাকুৰৰ যুক্তি মানি ল'লে জিন্নাও সাম্প্ৰদায়িক নেতা নহয়।

'আপুনি বয়স হৈলে বুদ্ধি হৈব ভাল'। ড° আচাৰ্যই ভালকৈ গমি চালে উপলব্ধি কৰিব, মই কোৱা মৌলবাদীৰ সংজ্ঞাতকৈ তেখেতৰতো পৃথক নহয়। গৈৰিক বাহিনীৰ কাম-কাজতো এই বৈশিষ্ট্যবোৰ ফুটি উঠিছে। পত্ৰ লেখকসকলক মই জনাবলৈ পাই দুঃখিত যে নন্দীগ্ৰামৰ প্ৰতি মোৰ ধাৰণা সলনি হোৱা নাই। আমাৰ দেশৰ সংবাদ-পত্ৰ, টিভি চেনেল বৃহৎ পুঁজিপতিৰ দ্বাৰা পৰিচালিত। ফ্ৰী মেডিয়াৰ নামত টেড টাৰ্নাৰৰ মতে— 'আমি সচৰাচৰ যি পঢ়ো, শুনো আৰু দেখো, তাৰ নব্বৈ শতাংশ পাঁচটা আমেৰিকা-সমৰ্থক বৃহৎ গোষ্ঠীয়ে নিয়ন্ত্ৰণ কৰে।' মেডিয়াৰ মতে, ১৪ মাৰ্চ, ২০০৭-ত নৈ পানীয়ে নন্দীগ্ৰামত তেজৰ বৰণ লৈছিল। চি পি এম হাৰ্মাদ বাহিনীয়ে শ শ শিশুক ভৰিত ধৰি ছিৰাছিৰ কৰি ফালিছিল। প্ৰচাৰ হৈছিল— নাৰীৰ স্তন কাটি পেলোৱা লোমহৰ্ষক কাহিনী। পিছে শুনা কথা এচিকটা নিমখ দি হজম কৰা ভাল। অনিন্দিতা সৰ্বাধিকাৰীয়ে ১৬ এপ্ৰিল, ০৮-ত এই ঘটনাৰ তথ্যচিত্ৰ ল'বলৈ গৈ কৈছে— পাঁচদিন সমস্ত নন্দীগ্ৰাম ঘূৰি এটাও পৰিবাৰ নাপালোঁ। আখৰেজা বিবিয়ে অভিযোগ কৰিছিল— তেওঁক ধৰ্ষণ কৰাৰ উপৰি চি পি এমে তেওঁৰ দুগৰাকী জীয়েকক ধৰ্ষণ কৰি অপহৰণ কৰিছিল। দুমাহৰ পাছত এই গাভৰু দুগৰাকীক কাক দ্বীপত মাক-বাপেকে পলুৱাই থোৱা সম্ভেদ পোৱা গৈছে। তেওঁলোকৰ শৰীৰত অত্যাচাৰৰ কোনো প্ৰমাণ নাই। গোয়েৱলচীয় প্ৰচাৰে সত্যক সদায় ঢাকি ৰাখিব নোৱাৰে।

পৰাগ পৰন শৰ্মা বড়াই ৰাজনীতিৰ উদ্দেশ্যে ফেচিবাদী কায়দাৰে হিন্দু সংস্কৃতিৰ ভিন্নতাক একীভূত কৰা কাৰ্যক সমৰ্থন কৰি কৈছে— 'সেয়ে বাল্মিকী বা তুলসী দাসী ৰামায়ণৰ লগত সম্পূৰ্ণ অমিল ... উদ্ভট কথা কিছুমান তেনেই অখ্যাত বা অল্পখ্যাত জনগোষ্ঠীয় ভাষাৰ ৰামকথাৰ পৰম্পৰাৰ পৰা বুটলি আনি ৰামায়ণৰ কাহিনী বুলি প্ৰচাৰ চলাব খুজিলে গণৰোষৰ সৃষ্টি হোৱাত একো অস্বাভাৱিকতা নাই।' হিটলাৰৰ এই জাত্যাভিমান আৰু উগ্ৰ আত্মম্ভৰিতাৰ বাবেই বিশ্বৰ পাঁচ কোটি মানুহ আৰু জাৰ্মান জাতিৰ অপূৰণীয় ক্ষতি হৈছিল। যি হনুমানক উত্তৰ ভাৰতত পূজা কৰা হয়, অমৰ্ত্য সেনৰ মতে বংগদেশত বা মাধৱ কন্দলিৰ ৰামায়ণত আৰু আমাৰ ভাওনাসমূহত হাস্য উদ্ৰেককাৰী চৰিত্ৰ হিচাপে উপস্থাপন কৰা হয়। বৃহৎ আৰ্য সংস্কৃতিৰ তুলনাত আমি অসমীয়াও অখ্যাত বা অল্পখ্যাত জনগোষ্ঠী। আমাৰ 'দুৰ্গাবৰী ৰামায়ণ'তো সীতা ৰাৱণৰ কন্যা বুলি কৈছে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই 'ৰামায়ণৰ ইতিবৃত্ত' নামৰ গ্ৰন্থত এনেধৰণৰ মনেসজা কথাৰ সমৰ্থনত কৈছে, 'অদ্ভুত ৰামায়ণ, জৈন উত্তৰ পুৰাণত, থাইলেণ্ড, কাম্পুচিয়া আদি ৰামায়ণত সীতাক ৰাৱণৰ দুহিতা ৰূপেই দেখুৱাইছে।' 'স্মাইল' টিভিৰ ধাৰাবাহিক 'ৰাৱণ'তো 'দশাননৰ সংস্কৃতি' 'ৰক্ষ সংস্কৃতি'ৰ উচ্চ প্ৰশংসা কৰিছে। ৰাৱণে বাল্যকালতে নৰবলিৰ বিৰোধিতা আৰু মন্দোদৰীক বিয়া কৰাৰ পাছত মাক কৈকসীক একাধিক নাৰীক বিবাহ কৰাৰ প্ৰতিশ্ৰুতি দিছে। বাল্মিকী ৰামায়ণৰ ৩৯ সৰ্গৰ ৩৬ নং শ্লোক মতে দশৰথৰ প্ৰধান পত্নী তিনিগৰাকীৰ উপৰি তেওঁৰ অন্তেষপুৰত শোভা কৰিছিল চাৰে তিনিশগৰাকী পত্নী অথবা ৰক্ষিতাই।

দ্বিজাতি তত্ত্বৰ প্ৰবক্তা মৌলবাদী শক্তিয়ে যিমানেই হিন্দু-মুছলমানৰ মাজত প্ৰভেদ নিবিচাৰক কিয়, শেহতীয়া বৈজ্ঞানিক বিশ্লেষণ 'The Indian Genome Variation Project'-এ প্ৰমাণ কৰিছে, আমি সকলো ভাৰতীয় একেই— We're alike, its in our Gene.' (The Telegraph, 25 April) সাম্প্ৰদায়িকতা সম্পৰ্কে জৱাহৰলাল নেহৰুৱে কৈছিল ঃ 'সাংস্কৃতিক ৰাষ্ট্ৰবাদ বা জাতীয়তাবাদ হ'ল আৰ এছ এছৰ হিন্দুৰাষ্ট্ৰৰ সাংকেতিক পৰিভাষা। সংখ্যালঘিষ্ঠ সম্প্ৰদায়ৰ সাম্প্ৰদায়িকতা দেখা পোৱা যায় বা বুজা যায়। কিন্তু সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ সাম্প্ৰদায়িকতাক জাতীয়তাবাদৰ নামত চলোৱা হয়।' শেষত স্বামী বিবেকানন্দৰ বাণীয়ে হয়তো এই অশুভ শক্তিৰ মনত শুভ বুদ্ধিৰ উদয় কৰিব— 'সাম্প্ৰদায়িকতা, সংকীৰ্ণতা আৰু ইয়াৰ ফলস্বৰূপে ধৰ্মোন্মাদনাই এই সুন্দৰ পৃথিৱীক আচ্ছন্ন কৰি ৰাখিছে। সভ্যতা ধ্বংস কৰিছে আৰু সমগ্ৰ জাতিক সময়ে সময়ে হতাশাত নিমগ্ন কৰি ৰাখিছে। এই ভীষণ পিশাচ যদি নাথাকিলেহেঁতেন, তেন্তে মানৱ সমাজ আজি যি অৱস্থাত আছে, তাতকৈ বহু বেছি উন্নত হ'ব পাৰিলেহেঁতেন।'